**[২০১০] ৪ এছ.চি.আৰ. ৭৩৩**

**বালাথাণ্ডায়ুথাম আৰু আন এজন**

**বনাম**

**ইঝিলাৰচন**

**(দেৱানী আপীল নং ৭৩৫৭/২০০২)**

**১৬ এপ্ৰিল, ২০১০**

**[জি.এছ. সিংহৱী আৰু অশোক কুমাৰ গাংগুলী, ন্যায়াধীশ দ্বয়]**

ভাৰতীয় উত্তৰাধিকাৰ আইন, ১৯২৫ – ধাৰা ৬৩– সুবিধাহীন উইলৰ নিষ্পাদন – উইলকাৰীৰ দ্বাৰা পঞ্জীয়নভুক্ত উইলৰ নিষ্পাদন– তেওঁৰ পুত্ৰ–কন্যাসকলৰ নামত কিছুমান সম্পত্তি উইল কৰা হয় কিন্তু তেওঁৰ ডাঙৰ পুত্ৰ–দাবীদাৰৰ নামত কোনো সম্পত্তি উইল কৰা নহ'ল – হিতাধিকাৰীসকলৰ মাজৰ এজনৰ দ্বাৰা কৰা মোকৰ্দমা – দাবীদাৰৰ গোচৰ এই যে প্ৰথম উইলখন প্ৰকৃত নাছিল আৰু পৰৱৰ্তী উইলসমূহৰ দ্বাৰা উইলকাৰীয়ে উক্ত উইলখন বাতিল কৰিছিল – প্ৰথম আপীল আদালতে হিতাধিকাৰীৰ সপক্ষে মামলাটোৰ হুকুম কৰি ৰায় দিছিল যে প্ৰথম উইলৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে আৰু পৰৱৰ্তী উইলসমূহ প্ৰমাণ কৰিব পৰা নহ'ল। উচ্চ ন্যায়ালয়ে এই একেই ৰায়ক বাহাল ৰাখি ক'লে: পৰৱৰ্তী উইলসমূহ বিভিন্ন সন্দেহজনক পৰিস্থিতিৰ দ্বাৰা আবৃত হৈ আছে – দাবীদাৰে উইলসমূহৰ চাৰিওফালে থকা সন্দেহজনক পৰিস্থিতিসমূহ আঁতৰ কৰাৰ দায়িত্ব পালনত ব্যৰ্থ হয় – উইলসমূহৰ সাক্ষীকো পৰীক্ষা কৰা নহ'ল – এইদৰে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক বাহাল ৰখা হয় – ভাৰতীয় সাক্ষ্য আইন, ১৮৭২– ধাৰা ৬৮

পিতৃয়ে এখন পঞ্জীয়নভুক্ত উইল সম্পাদন কৰিছিল আৰু তেওঁৰ দুজন পুত্ৰ- উত্তৰবাদী আৰু জি; আৰু তেওঁৰ দুগৰাকী কন্যাৰ পক্ষে কিছুমান সম্পত্তি উইল কৰিছিল। তেওঁ নিজৰ ডাঙৰ পুত্ৰ-আপিলকাৰী নং ১ৰ পক্ষত কোনো সম্পত্তি উইল কৰা নাছিল। উইলকাৰী পিতৃজনৰ মৃত্যু হয় ২৩/০৫/১৯৮০ তাৰিখত। ইয়াৰ পিছত আপীলকাৰীয়ে উত্তৰবাদীৰ দখলত ব্যাঘাত জন্মাবলৈ চেষ্টা কৰে। উত্তৰবাদীয়ে এটা মামলা দাখিল কৰে। আপীলকাৰীয়ে দাবী কৰিছিল যে উক্ত উইলখন প্ৰকৃত নহয় আৰু সেই উইলখন উইলকাৰীয়ে ২৫/০৪/১৯৮০ তাৰিখে কৰা আন এখন উইল আৰু তাৰ পাছতো ০২/০৫/১৯৮০ তাৰিখে কৰা আন এখন উইলৰ দ্বাৰা বাতিল কৰিছিল। আপীলকাৰীয়ে পৰৱৰ্তী উইল-প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ৰ বলত নিজৰ অধিকাৰ দাবী কৰিছিল। বিচাৰকৰণ আদালতে এই মামলা খাৰিজ কৰে।

প্ৰথমখন আপীল আদালতে আপীলৰ মঞ্জুৰ কৰি মামলাত ডিক্ৰি দিয়ে। আদালতে মত পোষণ কৰি যে প্ৰথম উইলৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে আৰু পৰৱৰ্তী উইলসমূহ  প্ৰমাণিত হোৱা নাই কাৰণ পৰৱৰ্তী পঞ্জীয়নহীন উইল দুখন প্ৰমাণ কৰিবলৈ কোনো সাক্ষীক হাজিৰ কৰোৱা হোৱা নাছিল; আৰু সেইবোৰ সম্পাদন কৰা হৈছিল যেতিয়া উইলকাৰীজন অসুস্থ আছিল। উচ্চ ন্যায়ালয় উক্ত ৰায়ক বাহাল ৰাখিলে। আদালতে পাইছিল যে প্ৰথম উইলখন সেই সময়ত সম্পাদন কৰা হৈছিল যেতিয়া উইলকাৰীয়ে উত্তৰবাদী আৰু তেওঁৰ পৰিয়ালৰ সৈতে ভি নামৰ স্থানত বসবাস কৰি আছিল আৰু পৰৱৰ্তী উইলসমূহ উইলকাৰীৰ মৃত্যুৰ দুসপ্তাহ আগতে, আপীলকাৰীয়ে বাস কৰা  স্থানত সম্পাদন কৰা হৈছিল। সেয়েহে এই আপীল কৰা হৈছে।

আপীল খাৰিজ কৰি আদালতে মত পোষণ কৰি যে:

১.১ যেতিয়া উইল এখন সন্দেহজনক পৰিস্থিতিয়ে আগুৰি থাকে, তেতিয়া উইলখন উত্থাপন কৰা ব্যক্তিজনৰ পালন কৰণীয় বোজা অতি গধুৰ। য'ত উইলকাৰীৰ মন দুৰ্বল আৰু তেওঁ অক্ষম আৰু উইলকাৰীৰ মানসিক ক্ষমতাৰ বিষয়ে পৰ্যাপ্ত প্ৰমাণ নাই বা যেতিয়া উইলত ঘোষিত তথ্য পৰিস্থিতিৰ পোহৰত অস্বাভাৱিক, অসম্ভাৱনাময়ী বা অনুচিত দেখা যায় বা এনে লাগে যেন উইলখন উইলকাৰীৰ মুক্ত ইচ্ছা আৰু মনৰ ফল নহয়, আদালতে বিবেচনা কৰিব পাৰে যে উইলখন সন্দেহজনক পৰিস্থিতিৰে আগুৰি আছে। [দফা ৮] [৭৩৯-জি-এইচ; ৭৪০-এ-চি]

১.২ ভাৰতীয় উত্তৰাধিকাৰ আইন, ১৯২৫ৰ ৬৩ নং ধাৰা মতে উইলখনত দুজন বা তাতকৈ অধিক সাক্ষীৰ দ্বাৰা সত্যাপিত হ'ব লাগিব, যাৰ প্ৰত্যেকেই উইলখনত উইলকাৰীয়ে স্বাক্ষৰ কৰা বা নিজৰ চাব লগোৱা দেখিছে বা আন কোনো ব্যক্তিয়ে উইলকাৰিৰ উপস্থিতিত আৰু তেওঁৰ নিৰ্দেশত উইলত স্বাক্ষৰ কৰা দেখিছে, বা উইলকাৰীৰ পৰা তেওঁৰ স্বাক্ষৰ বা চিহ্নৰ বা তেনে আন ব্যক্তিৰ স্বাক্ষৰৰ ব্যক্তিগত স্বীকৃতি লাভ কৰিছে; আৰু প্ৰত্যেক সাক্ষীয়ে উইলকাৰীৰ উপস্থিতিত উইলত স্বাক্ষৰ কৰিব লাগিব, কিন্তু একে সময়তে এজনতকৈ অধিক এইচ সাক্ষী উপস্থিত থকাটো প্ৰয়োজনীয় নহয়, আৰু কোনো বিশেষ ধৰণৰ সত্যাপন জৰুৰী নহয়। স্বাক্ষ্য আইনৰ ৬৮ নং ধাৰাত আৰু উল্লেখ আছে যে যদি কোনো নথিপত্ৰক আইনৰ দ্বাৰা প্ৰমাণীকৰণৰ প্ৰয়োজন হয় তেন্তে ইয়াৰ সাক্ষ্য প্ৰমাণ কৰাৰ উদ্দেশ্যে অন্ততঃ এজন সত্যাপন সাক্ষীক উক্ত নথিপত্ৰৰ সম্পাদন প্ৰমাণ কৰিবলৈ মাতি ননা পৰ্যন্ত ইয়াক প্ৰমাণ হিচাপে ব্যৱহাৰ কৰা নহ'ব যদি সত্যাপন সাক্ষীজন

জীৱিত থাকে, আদালতৰ প্ৰক্ৰিয়াৰ অধীনত আদালতত সাক্ষ্য দিবলৈ সক্ষম হোৱা সাপেক্ষে। [দফা ১১] [৭৪০- ই-এইচ; ৭৪১-এ-বি]

২.১. বিচাৰাধীন গোচৰটোত, পৰৱৰ্তী উইল- প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ দুখন  উইলকাৰীয়ে মৃত্যুৰ দুসপ্তাহমান আগতে আৰু যেতিয়া তেওঁক ১ম আপীলকাৰীৰ ঘৰত ৰখা হৈছিল সেই সময়ত সম্পাদন কৰা বুলি অভিযোগ উঠিছে। দেখা যায় যে উক্ত দুয়োখন উইলৰেই সত্যাপন সাক্ষী সকলোৱেই চি স্থানৰ বাসিন্দা আছিল আৰু পৰিয়ালটোৰ বাবে অচিনাকি ব্যক্তি আছিল। সেই দুখন উইল কেৱল সেই সময়তহে উত্থাপন কৰি হৈছিল যেতিয়া ১৯৯৪ চনত উত্তৰবাদীয়ে দাখিল কৰা মামলাত ১ম আপীলকাৰীয়ে নিজৰ লিখিত বক্তব্য দাখিল কৰিছিল। এইবোৰ হৈছে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ক লৈ সৃষ্টি হোৱা সন্দেহজনক পৰিস্থিতি। উচ্চ ন্যায়ালয়ে উক্ত তথ্যসমূহ বিশ্লেষণ কৰি এইটোও লাভ কৰে যে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ সম্পাদনৰ ক্ষেত্ৰত সন্দেহজনক পৰিস্থিতি আছে আৰু সেইবোৰ আপীলকাৰীয়ে দূৰ কৰিব লাগিব। স্বাক্ষ্য আইনৰ ধাৰা ৬৮ আৰু ভাৰতীয় উত্তৰাধিকাৰ আইনৰ ৬৩ নং ধাৰাৰ বিধিগত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব লাগিব যিবোৰ কৰা হোৱা নাই। প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ৰ এজনো সত্যাপন সাক্ষীক পৰীক্ষা কৰা হোৱা নাই। [দফা ৬ আৰু ৭] [৭৩৯-বি-এফ]

২.২ প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ৰ দুয়োটাই বিভিন্ন সন্দেহজনক পৰিস্থিতিয়ে আগুৰি আছে। প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ৰ সন্দেহজনক পৰিস্থিতি আঁতৰোৱাৰ দায়িত্ব পালন কৰাত আপীলকাৰীসকল সফল নহ'ল। প্ৰথমথন আপীল আদালতে প্ৰদৰ্শক বি-

১৯ আৰু প্ৰদৰ্শক বি–২০ প্ৰমাণিত হোৱা নাই বুলি কৰা সিদ্ধান্তক উচ্চ ন্যায়ালয়ে সমৰ্থন জনায়। দ্বিতীয় আপীলত পোৱা সেই তথ্যসমূহত হস্তক্ষেপ নকৰাটো উচ্চ ন্যায়ালয়ে সঠিক আছিল কাৰণ প্ৰথমখন আপীল আদালতে আইনৰ কোনো গুৰুত্বপূৰ্ণ প্ৰশ্নৰ ভুল সিদ্ধান্ত লোৱা নাই। এইদৰে উচ্চ ন্যায়ালয়ৰ ৰায়ত কোনো ভুল বিচাৰি পোৱাৰ কোনো কাৰণ নাই। [দফা ৮, ১০ আৰু ১৪] [৭৩৯–জি; ৭৪০–এফ; ৭৪২–এ–বি]

*H. Venkatachala Iyengar v. B.N. Thimmajamma and Ors* ***AIR 1959 SC 443****; Madhukar D. Shende v. Tarabai Aba Shedage* ***(2002) 2 SCC 85****; Niranjan Umeshchandra Joshi v. Mrudula Jyoti Rao and Ors.* ***(2006) 13 SCC 433****; Savithri and Ors. v. Karthyayani Amma and Ors.* ***(2007) 11 SCC 621****,* গোচৰ সমূহত তলত উল্লেখ কৰা সমূহৰ ওপৰত নিৰ্ভৰ কৰিছিল।

এআইআৰ ১৯৫৯ এছ চি ৪৪৩ৰ ৮ নং দফাত নিৰ্ভৰ কৰা হৈছে।
(২০০২) ২ এছচিচি ৮৫ৰ ১৩ নং দফাত নিৰ্ভৰ কৰা হৈছে।
(২০০৬) ১৩ এছচিচি ৪৩৩ৰ ১৩ নং দফাত নিৰ্ভৰ কৰা হৈছে।
(২০০৭) ১১ এছচিচি ৬২১ৰ ১৩ নং দফাত নিৰ্ভৰ কৰা হৈছে।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ৭৩৫৭/২০০২**

এছ.এ. নং ১৩০/২০০০ত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ১০/১২/২০০১ তাৰিখৰ ৰায় আৰু হুকুমৰ পৰা।

আপীলকাৰীসকলৰ পক্ষে ভি. প্ৰভাকৰ আৰু আৰ চন্দ্ৰচুড়।

উত্তৰবাদীসকলৰ পক্ষে বি. শ্ৰীধৰ আৰু কে. ৰাম কুমাৰ।

**ন্যায়াধীশ গাংগুলীৰ দ্বাৰা আদালতৰ ৰায়দান  কৰা হয়।**

১) পক্ষসমূহৰ অধিবক্তাৰ শুনানি লোৱা হ'ল।

২) গোচৰৰ বস্তুগত তথ্যসমূহ হ'ল- ১ম আপীলকাৰী তথা বাদী-প্ৰতিবাদীৰ পিতৃ প্ৰয়াত এম. ৰামচন্দ্ৰনৰ তিনিজন পুত্ৰ- বলাথান্দয়ুথম (প্ৰথম আপিলকাৰি), ইঝিলাচৰণ (বাদী-প্ৰতিবাদী) আৰু জ্ঞ্যনাভালি আৰু দুগৰাকী কন্যা- কলাই আৰাছি আৰু ইছাই আমুধু আৰু পত্নী নাচিয়াৰ আম্মাল আছিল। এইটো বিবাদিত নহয় যে ৰামচন্দ্ৰনে তেওঁৰ জীৱনকালত কিছু সম্পত্তি আৰু অৰ্জন কৰিছিল আৰু এখন উইল সম্পাদন কৰিছিল যিখন ২৫/০৯/১৯৭২ তাৰিখে পঞ্জীয়ন কৰা হৈছিল। উল্লিখিত  উইলৰ দ্বাৰা তেওঁ কিছুমান সম্পত্তি উইল কৰিছিল, যাৰ আয়ৰ পৰা সেৱা পূজা আৰু শ্ৰীবালা মুৰুগান মন্দিৰৰ ৰক্ষণাবেক্ষণ কৰিবলগীয়া আছিল। তেওঁ তেওঁৰ অন্যান্য সম্পত্তিৰ ক্ষেত্ৰতো পত্নীক আজীৱন স্বাৰ্থ প্ৰদান কৰি বাদী-উত্তৰবাদী আৰু তেওঁৰ আনজন পুত্ৰ জ্ঞ্যনাভালি আৰু দুগৰাকী কন্যাৰ সপক্ষে উইল কৰিছিল।

৩) ১ম আপীলকাৰীক কোনো সম্পত্তি উইল কৰা হোৱা নাছিল, অন্যান্য বিষয়ৰ লগতে এই ভিত্তিতো যে শিক্ষা গ্ৰহণৰ পিছত তেওঁ পৃথকে থকা হৈছিল আৰু পৰিয়ালৰ সদস্যসকলৰ প্ৰতি কোনো আগ্ৰহ প্ৰকাশ কৰা নাছিল। মামলাৰ আৰ্জিত অভিযোগ হ'ল যে যিহেতু বাদী-প্ৰতিবাদীৰ জ্যেষ্ঠ ভাতৃ ১ম আপীলকাৰীয়ে শিক্ষা গ্ৰহণ কৰি পৰিয়াল এৰি পিতৃ-মাতৃৰ সন্মতি অবিহনে আন জাতিৰ এগৰাকী মহিলাক বিয়া কৰাইছিল, গতিকে ২৫/০৯/১৯৭২ তাৰিখৰ উইলত ১ম আপীলকাৰীৰ পক্ষে উইলকাৰীৰ দ্বাৰা কোনো ব্যৱস্থা ৰখা হোৱা নাছিল। উইলকাৰী ৰামচন্দ্ৰনৰ ২৩/৫/১৯৮০ তাৰিখে মৃত্যু হৈছিল আৰু তেওঁৰ মৃত্যুৰ পিছত বাদী-প্ৰতিবাদী সম্পত্তিৰ একচেটিয়া দখলত

আছিল। সেই সময়ত ১ম আপীলকাৰীয়ে কিছুমান সমাজ বিৰোধী উপাদানৰ সহায়ত বাদী-প্ৰতিবাদীৰ দখলত বিঘ্নিত কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ ফলত মামলা দাখিল কৰা হয়। মামলাটোত ১ম আপীলকাৰীৰ স্থিতি আছিল যে ২৫/০৯/১৯৭২ তাৰিখৰ উইলখন প্ৰকৃত নহয় আৰু উক্ত উইলখন ৰামচন্দ্ৰনে ২৫/০৪/১৯৮০ তাৰিখৰ এখন উইল আৰু তাৰ পিছত ০২/০৫/১৯৮০ তাৰিখৰ আন এখন উইলৰ দ্বাৰা বাতিল কৰিছিল। দুয়োজন আপীলকাৰীয়ে তথাকথিত পৰৱৰ্তী উইলৰ অধীনত নিজৰ অধিকাৰ দাবী কৰিছিল। তেওঁৰ উত্তৰত বাদী-প্ৰতিবাদীয়ে দাবী কৰে যে ২৫/০৪/১৯৮০ আৰু ০২/০৫/১৯৮০ তাৰিখৰ তথাকথিত পৰৱৰ্তী উইলসমূহ সম্পাদন কৰাৰ সংশ্লিষ্ট সময়ত ৰামচন্দ্ৰন বিচনাত পৰি আছিল আৰু সেই সময়ত তেওঁৰ কোনো উইল সম্পাদন কৰাৰ ক্ষমতা নাছিল আৰু তাৰ কিছুদিন পিছতেই ২৩/০৫/১৯৮০ তাৰিখে তেখেতৰ মৃত্যু ঘটিছিল। বিচাৰকৰণ আদালতে ১ম আপীলকাৰীৰ যুক্তি সমৰ্থন কৰি মামলা খাৰিজ কৰে। প্ৰথম আপীল আদালতে অৱশ্যে মঞ্জুৰ কৰি মামলাত ডিক্ৰি দিয়ে। ইয়াত প্ৰথম আপীলকাৰীৰ স্থিতি আছিল যে ২৫/০৯/১৯৭২ তাৰিখৰ উইলখন প্ৰকৃত নাছিল আৰু পৰৱৰ্তী ২৫/০৪/১৯৮০ তাৰিখৰ উইলৰ দ্বাৰা বাতিল কৰা হৈছিল।

৪) এই তথ্যসমূহৰ ওপৰত বিজ্ঞ প্ৰথম আপীল আদালতে মত পোষণ কৰি যে যেতিয়া এটা পক্ষই দাবী কৰা উইলৰ সম্পাদনক আন পক্ষই অস্বীকাৰ কৰে, তেতিয়া সেই উইলৰ সম্পাদনৰ সত্যতাৰ বোজা সেই পক্ষৰ ওপৰত থাকে যিয়ে ইয়াৰ সম্পাদন প্ৰমাণ কৰিবলৈ উইলৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু যেতিয়া উইলৰ সম্পাদনক অস্বীকাৰ কৰা নহয় তেতিয়া উইলৰ সম্পাদন প্ৰমাণ কৰিবলৈ উইলৰ ওপৰত নিৰ্ভৰ কৰা পক্ষটোৰ ওপৰত কোনো বোজা নপৰে। ওপৰত উল্লেখ

কৰা নীতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰথম আপীল আদালতে মত পোষণ কৰে, আমাৰ দৃষ্টিত সঠিকভাৱে, যে ২৫/০৯/১৯৭২ তাৰিখৰ প্ৰথম উইলৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে। কিন্তু আপীলকাৰীসকলৰ গোচৰটো হ'ল যে উইলখন বাতিল কৰা হৈছিল। কিন্তু পৰৱৰ্তী ০২/০৫/১৯৮০ তাৰিখৰ প্ৰদৰ্শক বি-১৯ আৰু ২৫/০৪/১৯৮০ তাৰিখৰ প্ৰদৰ্শক বি-২০ উইল দুখন প্ৰমাণ কৰিবলৈ কোনো সত্যাপন সাক্ষী নাই। প্ৰথম আপীল আদালতে এইটোও লক্ষ্য কৰিছিল যে ২৫/০৪/১৯৮০ তাৰিখৰ পৰৱৰ্তী উইলখন  অপঞ্জীয়নভুক্ত বুলি স্বীকাৰ কৰা হৈছিল আৰু উক্ত উইলৰ সাক্ষীসকল জীয়াই আছিল যদিও ইয়াৰ লিখকজন জীয়াই নাছিল। ইয়াৰ উপৰিও আপীলকাৰীয়ে এইটোও স্বীকাৰ কৰিছিল যে মৃত্যুৰ আগতে প্ৰায় চাৰি মাহ ধৰি উইলকাৰীজন অসুস্থ হৈ আছিল। স্বীকাৰ্য্য যে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ সম্পাদন কৰাৰ সময়ত উইলকাৰীজন অসুস্থ হৈ আছিল বুলি কোৱা হৈছে। বিজ্ঞ প্ৰথম আপীল আদালতে ৰায় দিছিল যে পৰৱৰ্তী দুখন উইল ক্ৰমে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ প্ৰমাণিত হোৱা নাছিল।

৫) উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ ভাৰতীয় স্বাক্ষ্য আইনৰ ধাৰা ৬৮ আৰু ৬৯ৰ অধীনৰ বাধ্যতামূলক প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ প্ৰমাণিত হোৱা নাই বুলি প্ৰথম আপীল আদালতে লোৱা মতামত শুদ্ধ আছিল। উচ্চ ন্যায়ালয়ে লক্ষ্য কৰিছিল যে ১৯৭২ চনত কাৰ্যকৰী হোৱা প্ৰথমখন উইল (প্ৰদৰ্শক-এ১) উইলকাৰীয়ে বাদী আৰু তেওঁৰ পত্নী আৰু আন এজন পুত্ৰৰ সৈতে যৌথ পৰিয়ালত ভিলুপুৰমত থকা তেওঁৰ আৱাসিক ঘৰত বাস কৰি থকাৰ সময়তে সম্পাদন কৰা হৈছিল কিন্তু পৰৱৰ্তী দুখন উইল প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ ১ম আপীলকাৰীয়ে বাস কৰা কুডালোৰত সম্পাদন কৰা হয়। কথাটো হ'ল যে প্ৰথম

উইলত ১ম আপীলকাৰীৰ বাবে কোনো ব্যৱস্থা কৰা হোৱা নাছিল যদিও দ্বিতীয় উইল দুখন ১ম আপীলকাৰীৰ সপক্ষে ব্যৱস্থা কৰা হৈছিল আৰু সেই উইল দুখন উইলকাৰীয়ে ১ম আপীলকাৰীৰ ঘৰত থকা সময়ত সম্পাদন কৰা হৈছিল বুলি কোৱা হৈছে। সেই উইল দুখন উইলকাৰীৰ মৃত্যুৰ কেৱল কেইসপ্তাহমানৰ আগতেহে সম্পাদন কৰা হৈছিল।

৬) এই সন্ধিক্ষণত বাদী-প্ৰতিবাদীয়ে উত্থাপন কৰা গোচৰটো অতি প্ৰাসংগিক। বাদীজনৰ গোচৰটো হ'ল যে তেওঁৰ পিতৃ, উইলকাৰী, এটা অনুষ্ঠানত অংশগ্ৰহণৰ বাবে এটা মন্দিৰলৈ গৈছিল আৰু তাৰ পৰা উইলকাৰীক ১ম আপীলকাৰীয়ে কুডাল'ৰলৈ লৈ গৈছিল আৰু এই কথা জানিবলৈ পাই বাদী-প্ৰতিবাদীয়ে ১ম আপীলকাৰীৰ ঘৰলৈ গৈছিল আৰু উইলকাৰীক ভিলোপুৰামত থকা নিজ ঘৰলৈ লৈ গ'ল যত উইলকাৰিয়ে ইমান বছৰে আছিল আৰু তাতেই তেখেতৰ মৃত্যু ঘটিল। গতিকে পৰৱৰ্তী দুয়োখন উইল অৰ্থাৎ প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ উইলকাৰীয়ে মৃত্যুৰ দুসপ্তাহমান আগতে আৰু যেতিয়া তেওঁক ১ম আপীলকাৰীৰ ঘৰত ৰখা হৈছিল তেনে অৱস্থাত সম্পাদন কৰিছে বুলি অভিযোগ কৰা হৈছে। দেখা যায় যে উক্ত দুয়োখন উইলৰ সাক্ষীসকল কুডাল'ৰৰ আছিল আৰু পৰিয়ালটোৰ বাবে অচিনাকি আছিল। সেই দুখন উইল কেৱল সেই সময়তহে ওলাইছিল যেতিয়া ১ম আপীলকাৰীয়ে ১৯৯৪ চনত বাদী-প্ৰতিবাদীয়ে দাখিল কৰা মামলাত নিজৰ লিখিত জবাব দাখিল কৰিছিল। আমাৰ মতে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ক সন্দেহজনক পৰিস্থিতিয়ে আগুৰি আছে।

৭) উচ্চ ন্যায়ালয়ে উল্লেখ কৰা তথ্যসমূহ বিশ্লেষণ কৰি এইটোও লক্ষ্য কৰিছে যে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ৰ সম্পাদনৰ ক্ষেত্ৰত সন্দেহজনক পৰিস্থিতি আছে আৰু সেইবোৰ আঁতৰোৱাটো

আপিলকাৰীৰ দায়িত্ব। স্বাক্ষ্য আইনৰ ধাৰা ৬৮ আৰু ভাৰতীয় উত্তৰাধিকাৰ আইনৰ ধাৰা ৬৩ৰ অধীনত বিধিগত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব লাগিব যিবোৰ কৰা হোৱা নাই। এই মামলাত প্ৰদৰ্শক বি–১৯ আৰু প্ৰদৰ্শক বি–২০ৰ এজনো সত্যাপন সাক্ষীক পৰীক্ষা কৰা হোৱা নাই।

৮) এই আদালতে এইটোও ভাবে যে ইয়াত ওপৰত কৰা আলোচনাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰদৰ্শক বি–১৯ আৰু প্ৰদৰ্শক বি–২০ উভয়কেই বিভিন্ন সন্দেহজনক পৰিস্থিতিয়ে আগুৰি আছে। যেতিয়া উইল এখনক সন্দেহজনক পৰিস্থিতিয়ে আগুৰি থাকে, তেতিয়া সেই সন্দেহ দুৰ কৰাৰ ক্ষেত্ৰত উইলখন উত্থাপন কৰা ব্যক্তিজনৰ কৰিবলগীয়া অতি গধুৰ বোজা থাকে। এই বিষয়ে এই আদালতে কৰ্তৃত্বশীলভাৱে ব্যাখ্যা কৰিছে। এইচ ভেংকটাচালা আয়েংগাৰ বনাম বি.এন. থিম্মাজামা আৰু অন্যান্য, এআইআৰ ১৯৫৯ এছচি ৪৪৩. তদানীন্তন বিচাৰাধিপতি পি.বি. গজেন্দ্ৰগডকাৰে, ৰায়দানৰ ২০ নং দফাত এইচ ভেংকটাচালা (উপৰোক্ত) গোচৰত তিনিজন ন্যায়াধীশ বিচাৰপীঠৰ হৈ ৰায়দান কৰে যে য'ত উইলকাৰীৰ মন দুৰ্বল আৰু তেওঁ অক্ষম আৰু উইলকাৰীৰ মানসিক ক্ষমতাৰ বিষয়ে পৰ্যাপ্ত প্ৰমাণ নাই বা যেতিয়া উইলত ঘোষিত তথ্য পৰিস্থিতিৰ পোহৰত অস্বাভাৱিক, অসম্ভাৱনাময়ী বা অনুচিত দেখা যায় বা এনে লাগে যেন উইলখন উইলকাৰীৰ মুক্ত ইচ্ছা আৰু মনৰ ফল নহয়, আদালতে বিবেচনা কৰিব পাৰে যে উইলখন সন্দেহজনক পৰিস্থিতিৰে আগুৰি আছে।

৯) এই পৰীক্ষাটোৰ দ্বাৰা গৈ আমি যিদৰে কৰিব লাগিব, আমি দেখিবলৈ পাওঁ যে প্ৰদৰ্শক বি–১৯ আৰু প্ৰদৰ্শক বি–২০ উইল দুয়োখনকেই সন্দেহজনক পৰিস্থিতিয়ে আগুৰি আছে। এইচ ভেংকটাচালা

(উপৰোক্ত)ৰ নীতি হ'ল যে এনে পৰিস্থিতিত আদালতে "স্বাভাৱিকভাৱে আশা কৰিব যে নথিখন উইলকাৰীৰ শেষ উইল হিচাপে গ্ৰহণ কৰাৰ আগতে সকলো বৈধ সন্দেহ সম্পূৰ্ণৰূপে আঁতৰাই পেলোৱা উচিত। এনে সন্দেহজনক পৰিস্থিতিৰ উপস্থিতিয়ে প্ৰাৰম্ভিক প্ৰশ্নক স্বাভাবিকতে বৰ গধুৰ কৰি পেলায়; আৰু, যদিহে ইয়াক সন্তোষজনকভাৱে নিষ্কাশন কৰা নহয়, তেন্তে আদালতে নথিপত্ৰখনক উইলকাৰীৰ শেষ উইল হিচাপে গণ্য কৰিবলৈ অনিচ্ছুক হ'ব।" [৪৫২ পৃষ্ঠা চাওক]

১০) ওপৰত উল্লেখ কৰা নীতি অনুসৰণ কৰি এই আদালতে এই মত পোষণ কৰিবলৈ বাধ্য যে আপীলকাৰীসকল প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ৰ ক্ষেত্ৰত থকা সন্দেহজনক পৰিস্থিতি আঁতৰোৱাৰ দায়িত্ব পালন কৰাত সফল হোৱা নাই। সেই হিচাপে উচ্চ ন্যায়ালয়ৰ ৰায়দানত আমাৰ বাবে কোনো ভুল পোৱাৰ কোনো কাৰণ নাই।

১১) উইলখন সম্পাদন কৰাৰ ক্ষেত্ৰত যিমানদূৰলৈকে ভাৰতীয় উত্তৰাধিকাৰ আইন, ১৯২৫ৰ ৬৩ নং ধাৰাত বিধান আছে, সেয়া হৈছে উইলখন দুজন বা তাতকৈ অধিক সাক্ষীৰ দ্বাৰা সত্যাপিত হ’ব লাগিব, যাৰ প্ৰত্যেকেই উইলখনত উইলকাৰীয়ে স্বাক্ষৰ কৰা বা নিজৰ চাব লগোৱা দেখিছে বা আন কোনো ব্যক্তিয়ে উইলকাৰিৰ উপস্থিতিত আৰু তেওঁৰ নিৰ্দেশত উইলত স্বাক্ষৰ কৰা দেখিছে, বা উইলকাৰীৰ পৰা তেওঁৰ স্বাক্ষৰ বা চিহ্নৰ বা তেনে আন ব্যক্তিৰ স্বাক্ষৰৰ ব্যক্তিগত স্বীকৃতি লাভ কৰিছে; আৰু প্ৰত্যেক সাক্ষীয়ে উইলকাৰীৰ উপস্থিতিত উইলত স্বাক্ষৰ কৰিব লাগিব, কিন্তু একে সময়তে এজনতকৈ অধিক এইচ সাক্ষী উপস্থিত থকাটো প্ৰয়োজনীয় নহয়, আৰু কোনো বিশেষ ধৰণৰ সত্যাপন জৰুৰী নহয়। স্বাক্ষ্য আইনৰ ৬৮ নং ধাৰাত আৰু উল্লেখ আছে যে যদি কোনো নথিপত্ৰক আইনৰ দ্বাৰা প্ৰমাণীকৰণৰ

প্ৰয়োজন হয় তেন্তে ইয়াৰ সাক্ষ্য প্ৰমাণ কৰাৰ উদ্দেশ্যে অন্ততঃ এজন সত্যাপন সাক্ষীক উক্ত নথিপত্ৰৰ সম্পাদন প্ৰমাণ কৰিবলৈ মাতি ননা পৰ্যন্ত ইয়াক প্ৰমাণ হিচাপে ব্যৱহাৰ কৰা নহ'ব যদি সত্যাপন সাক্ষীজন জীৱিত থাকে, আদালতৰ প্ৰক্ৰিয়াৰ অধীনত আদালতত সাক্ষ্য দিবলৈ সক্ষম হোৱা সাপেক্ষে। ৬৮ নং ধাৰাত এটা বিধান আছে যদিও উক্ত বিধান আমাৰ বিষয়বস্তু নহয়।

১২) এই বিধানসমূহৰ ওপৰত মন্তব্য কৰি এই আদালতে এইচ.চি. ভেংকটাচালা (উপৰোক্ত) গোচৰত নিৰ্ধাৰিন কৰিছে যে ধাৰা ৬৮ত আইনৰ দ্বাৰা প্ৰমাণিত হ'বলগীয়া নথিখনৰ সম্পাদন প্ৰমাণৰ বিষয়ে আলোচনা কৰা হৈছে আৰু ইয়াত বিধান দিয়া হৈছে যে এনে নথিপত্ৰক প্ৰমাণ হিচাপে ব্যৱহাৰ কৰা নহ'ব যেতিয়ালৈকে ইয়াৰ সম্পাদন প্ৰমাণ কৰাৰ উদ্দেশ্যে অন্ততঃ এজন সত্যাপন সাক্ষীক মাতি অনা নহয়। এই বিধানসমূহে প্ৰমাণৰ প্ৰয়োজনীয়তা আৰু প্ৰকৃতি নিৰ্ধাৰণ কৰে যিবোৰ আদালতত কোনো নথিৰ ওপৰত নিৰ্ভৰ কৰা পক্ষই পূৰণ কৰিব লাগিব। ইয়াৰ উপৰিও মত পোষণ কৰা হৈছিল যে ভাৰতীয় উত্তৰাধিকাৰ আইনৰ ধাৰা ৬৩ত উইলকাৰীয়ে উইলত চহী কৰিব বা চিহ্ন লগাব লাগিব বা তেওঁৰ উপস্থিতিত আৰু তেওঁৰ নিৰ্দেশনাত আন কোনো ব্যক্তিয়ে স্বাক্ষৰ কৰিব লাগিব আৰু চহী বা চিহ্নটো তেনেকৈ কৰিব লাগিব যে ইয়াৰ দ্বাৰা লিখনিটোক উইল হিচাপে সম্পাদান কৰাৰ উদ্দেশ্য আছিল যেন লাগিব। এই ধাৰাত এইটোও কোৱা হৈছে যে উইল নিৰ্ধাৰিত অনুসৰি দুজন বা তাতকৈ অধিক সাক্ষীয়ে সত্যাপন কৰিব লাগিব। এইদৰে উত্থাপকজনে উত্থাপন কৰা উইলখন উইলকাৰীৰ শেষ উইল বুলি প্ৰমাণিত হয় নেকি সেই প্ৰশ্নটোৰ সিদ্ধান্ত এই বিধানসমূহৰ পোহৰত ল'ব লাগিব। [পৃষ্ঠা ৪৫১ চাওক]

১৩) এইচ ভেংকটাচালা (ওপৰোক্ত)ত এইদৰে নিৰ্ধাৰণ কৰা আইনখন এতিয়াও প্ৰাসংগিকতা বাহাল ৰাখিছে আৰু এই আদালতে আন বিভিন্ন ৰায়দানতো তাক অনুসৰণ কৰিছে। [চাওক *Madhukar D. Shende v. Tarabai Aba Shedage, (2002) 2 SCC 85; Niranjan Umeshchandra Joshi v. Mrudula Jyoti Rao and others., (2006) 13 SCC 433 and Savithri and Others v. Karthyayani Amma and Others, (2007) 11 SCC 621]*

১৪) ওপৰত উল্লেখ কৰা তথ্যসমূহ বিবেচনা কৰি উচ্চ ন্যায়ালয়ে প্ৰথম আপীল আদালতে পোৱা এই তথ্যক দৃঢ়তা প্ৰদান কৰি কয় যে প্ৰদৰ্শক বি-১৯ আৰু প্ৰদৰ্শক বি-২০ প্ৰমাণিত হোৱা নাই। আমাৰ মতে উচ্চ ন্যায়ালয়ে দ্বিতীয়খন আপীলত সেই তথ্যসমূহত হস্তক্ষেপ নকৰাটো সঠিক আছিল কাৰণ প্ৰথম আপীল আদালতে আইনৰ কোনো গুৰুত্বপূৰ্ণ প্ৰশ্নৰ আসোঁৱাহপূৰ্ণ সিদ্ধান্ত লোৱা নাই।

১৫) পক্ষসমূহক নিজৰ নিজৰ খৰচ বহন কৰিবলৈ এৰি দি আমিও উচ্চ ন্যায়ালয়ে পোৱা ওপৰত উল্লেখিত তথ্যক সুদৃঢ় কৰোঁ আৰু এই আপীল খাৰিজ কৰোঁ।

আপীল খাৰিজ কৰা হ'ল।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English

version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"

---

অনুবাদক- জাফিৰা হায়াত, অধিবক্তা।
পৰীক্ষক- মোঃ ছফিজুৰ ৰহমান, মুখ্য অনুবাদক।